অধ্যায় ৪ ঃ বিশেষ চুক্তি (SPECIAL CONTRACT)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ক্ষতিপূৰণৰ চুক্তি
৪.৪ নিশ্চয়তাৰ চুক্তি
৪.৪.১ নিশ্চয়তাৰ প্ৰকাৰ
৪.৫ জিম্মা
৪.৫.১ জিম্মাৰ প্ৰকাৰ
৪.৬ জামানত ৰক্ষণ
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্ৰগতিৰ খতিয়ান
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ক্ষতিপূৰণৰ চুক্তিৰ ধাৰণাটো আলোচনা কৰিব পাৰিব
- নিশ্চয়তাৰ চুক্তিৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ নিশ্চয়তাৰ চুক্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জিম্মাৰ ধাৰণা আৰু বিভিন্ন প্ৰকাৰৰ জিম্মাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ক্ষতিপূৰণৰ চুক্তি আৰু বিভিন্ন প্ৰকাৰৰ জিম্মাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ক্ষতিপূৰণৰ চুক্তি আৰু নিশ্চয়তাৰ চুক্তিৰ মাজৰ পাৰ্থক্যসমূহ জানিব পাৰিব
- জিম্মা লওঁতা আৰু জিম্মা দাতাৰ অধিকাৰ আৰু কৰ্তব্যসমূহ জানিব পাৰিব
- জামানত ৰক্ষণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয় (INTRODUCTION)

ক্ষতিপূৰণ (indemnity) আৰু নিশ্চয়তা (guarantee)ৰ চুক্তি হৈছে এক বিশেষ ধৰণৰ চুক্তি যি ধন বা সামগ্ৰীৰ ক্ষতিৰ বাবে পৰিশোধ কৰিবলৈ কৰা এক প্ৰতিশ্ৰুতিৰ ৰূপত ক্ষতিৰ বিৰুদ্ধে সুৰক্ষা দিয়াত সহায় কৰে। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অধীনত অনুচ্ছেদ ১২৪ৰ পৰা ১৪৭লৈ এই বিশেষ ধৰণৰ চুক্তিবিধৰ বিষয়ে আলোচনা কৰা হৈছে। এই অধ্যায়ত আমি

ক্ষতিপূৰণ আৰু নিশ্চয়তাৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়ৰ জৰিয়তে বিভিন্ন নিশ্চয়তাৰ বিষয়েও আপোনালোকে জানিব পাৰিব। এই অধ্যায়ৰ জৰিয়তে আপোনালোকে লগতে জামিন (surety) আৰু ঋণ দিওঁতা (creditor) সম্পৰ্কেও সবিশেষ ধাৰণা ল'ব পাৰিব। এনেদৰে, এই অধ্যায়ৰ জৰিয়তে আপোনালোকে বিশেষ ধৰণৰ চুক্তি ক্ষতিপূৰণ আৰু নিশ্চয়তা, জামিন, ঋণ দিওঁতা সম্পৰ্কে ভাৰতীয় চুক্তি আইন, ১৮৭২ত সন্নিবিষ্ট বিভিন্ন ধাৰাৰ সবিশেষ জ্ঞান লাভ কৰিব।

৪.৩ ক্ষতিপূৰণৰ চুক্তি (CONTRACT OF INDEMNITY)

ক্ষতিপূৰণৰ চুক্তি হৈছে ধন বা সামগ্ৰীৰ ক্ষতিৰ বিৰুদ্ধে আমানতৰ ব্যৱস্থা কৰা। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অধীনত উল্লেখ থকাৰ দৰে এই ক্ষেত্ৰত সাধাৰণ চুক্তি আইনৰ নীতিসমূহ সমভাৱে প্ৰযোজ্য। ক্ষতিপূৰণৰ চুক্তিৰ অধীনত যিজন লোকে ক্ষতিপূৰণ দিয়ে বা ক্ষতি তথা হানি-বিঘিনিৰ বিনিময়ত পৰিশোধ কৰে তেওঁক 'ক্ষতিপূৰণ দিওঁতা (indemnifier) বোলা হয় আৰু যাৰ বাবে ক্ষতিপূৰণ দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হয় তেওঁক 'ক্ষতিপূৰণ পাওঁতা' (indemnified) বোলা হয়। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১২৪ত ক্ষতিপূৰণৰ চুক্তিৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— এটা চুক্তি যাৰ জৰিয়তে এটা পক্ষই আনটো পক্ষক প্ৰতিশ্ৰুতি দিওঁতাই নিজে বা আন যিকোনো লোকে কৰা কামৰ বাবে তেওঁৰ ক্ষেত্ৰত (আনটো পক্ষ) হোৱা ক্ষতিৰ পৰা সুৰক্ষা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। এনেদৰে, ইয়াৰ তেতিয়াই গ্ৰহণযোগ্য থাকে যেতিয়া—

- এটা প্ৰতিশ্ৰুতি থাকে
- আনজনক ক্ষতিৰ পৰা বচাবলৈ বা ক্ষতিৰ পিছৰ অৱস্থা ভাললৈ আনিবলৈ
- যি ক্ষতি প্ৰতিশ্ৰুতি দিওঁতাৰ নিজৰ বা আন যিকোনো লোকৰ কাম-কাজৰ ফলত হ'ব পাৰে।
- প্ৰতিশ্ৰুতি দিওঁতাই ক্ষতিৰ পৰৱৰ্তী অৱস্থা ভাললৈ অনাৰ দায়িত্ব লয়।
- কেৱল মানুহে কৰা ক্ষতিৰ বাবে ক্ষতিপূৰণহে ই সামৰি লয়।

'P' য়ে 'Q' ক ৫০০০ টকাৰ ক্ষতিপূৰণ দিয়াৰ চুক্তি কৰিলে, যদিহে 'R' ৰ কোনো কামৰ বাবে 'Q' ক্ষতিগ্ৰস্ত হয়। ই হৈছে ক্ষতিপূৰণৰ চুক্তি।

কাজেই, অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষতি বা বীমাৰ ক্ষেত্ৰত কোনো লোকৰ মৃত্যু বা চুক্তিবদ্ধ সময় শেষ হোৱাৰ ক্ষতিপূৰণৰ প্ৰসংগ ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১২৪ৰ অধীনত নপৰে। ইয়াৰ কাৰণ হৈছে এজন লোকৰ জীৱনৰ মূল্য নিৰূপণ কৰিব নোৱাৰি আৰু আশ্বস্ত লোকজনে সন্মুখীন হোৱা ক্ষতিৰ পৰিমাণ নিৰ্ণয়ৰ প্ৰশ্ন উদ্ধৰ নহয়।

সংজ্ঞা নিঃশেষ কৰিব নোৱাৰি

চুক্তি আইনৰ অনুচ্ছেদ ১২৪ত সন্নিবিষ্ট ক্ষতিপূৰণৰ চুক্তিৰ সংজ্ঞা নিঃশেষ কৰিব নোৱাৰি। ক্ষতিপূৰণৰ চুক্তিত অন্তৰ্ভুক্ত আছে—

(ক) ক্ষতিপূৰণ দিবলৈ কৰা প্ৰতিশ্ৰুতিহে প্ৰকাশ কৰা হয় আৰু

(খ) প্রতিশ্রুতি দিওঁতাৰ নিজৰ কাম-কাজ বা অন্য যিকোনো লোকৰ কাম-কাজৰ ফলত হোৱা ক্ষতিৰ ঘটনা।

ইয়াত অন্তর্ভুক্ত নহয় ঃ

(ক) ক্ষতিপূৰণ দিবলৈ প্রকাৰান্তৰে দেখুওৱা (implied) প্রতিশ্রুতি আৰু

(খ) দুর্ঘটনাৰ ফলত সৃষ্টি হোৱা বা প্রতিশ্রুতি দিওঁতা অথবা আন কোনো লোকৰ কাম-কাজৰ ওপৰত নির্ভৰ নোহোৱা ঘটনাৰ ফলত সৃষ্টি হোৱা ক্ষতি।

বিচাৰৰ সময়ত ক্ষতিপূৰণ পাওঁতাৰ অধিকাৰ

ক্ষতিপূৰণ পাওঁতাই নিম্নলিখিত অধিকাৰসমূহ লাভ কৰে—

১) চুক্তিয়ে সামৰি লোৱা একোটা বিষয়ৰ ক্ষেত্রত হোৱা যিকোনো বিচাৰত ক্ষতিপূৰণ পাওঁতাই পৰিশোধ কৰিবলৈ বাধ্য থকা সকলো ক্ষতি পুনৰুদ্ধাৰ কৰিবলৈ তেওঁৰ অধিকাৰ আছে।

২) প্রতিষ্ঠানৰ ঘটনাক্রমত সৃষ্টি হোৱা বা বিচাৰ প্রক্রিয়াত আত্মৰক্ষা কৰোতে হোৱা সকলো ব্যয় পুনৰুদ্ধাৰ কৰিবলৈ ক্ষতিপূৰণ পাওঁতাৰ অধিকাৰ আছে। কিন্তু ক্ষতিপূৰণ লাভ কৰা পক্ষই তেতিয়া ব্যয় পুনৰুদ্ধাৰ কৰিব নোৱাৰে, যেতিয়া তেওঁ তেওঁৰ বিৰুদ্ধে লোৱা পদক্ষেপত আত্মৰক্ষা কৰোতে এজন সতর্ক আৰু জ্ঞানী লোক হিচাপে কাম নকৰে বা বিচাৰ প্রক্রিয়াত আত্মৰক্ষা কৰিবলৈ ক্ষতিপূৰণ দিওঁতাৰ দ্বাৰা কর্তৃত্ব দিয়া নাথাকে বা উদ্ভৱ হোৱা ব্যয়ৰ পৰিমাণ যুক্তিসংগত নহয়।

৩) এনেকুৱা যিকোনো বিচাৰৰ আপোচৰ অধীনত পৰিশোধ কৰা সকলো ধন পুনৰুদ্ধাৰ কৰিবলৈ ক্ষতিপূৰণ পাওঁতাৰ অধিকাৰ আছে, এনে ক্ষেত্রত ধৰি লোৱা হয় যে উক্ত আপোচ প্রতিশ্রুতি দিওঁতাৰ নির্দেশনাৱলীৰ পৰিপন্থী নহয় আৰু সর্বোত্তম উপলব্ধ চর্তাৱলীৰ ভিত্তিত ইয়াক কৰা হয়। এনে প্রতিশ্রুতি দিওঁতে প্রতিশ্রুতি দিওঁতাই সতর্কতাৰে কাম কৰে। (অনুচ্ছেদ ১২৫)

মন কৰিবলগীয়া যে ক্ষতিপূৰণৰ চুক্তি সাধাৰণ চুক্তিৰ এক গুৰুত্বপূর্ণ অংশ আৰু সেয়ে ই একোটা গ্রহণযোগ্য চুক্তিৰ সকলো আৱশ্যকতা যেনে সমর্থ পক্ষ, মুক্ত সন্মতি, আইনসংগত কাম-কাজ ইত্যাদি পূৰণ কৰিব লাগে, অন্যথা ই গ্রহণযোগ্য নহ'ব।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ১ঃ ক্ষতিপূৰণৰ সংজ্ঞা দিয়ক।

.....

.....

প্রশ্ন নং ২ঃ ক্ষতিপূৰণ দিওঁতা কোন?

.....

.....

৪.৪ নিশ্চয়তাৰ চুক্তি (CONTRACT OF GUARANTEE)

ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১২৬ত 'নিশ্চয়তাৰ চুক্তি' (contract of guarantee) বাক্যাংশৰ সংজ্ঞা এনেদৰে আছে— নিশ্চয়তা চুক্তি হৈছে - তৃতীয় পক্ষৰ ব্যৰ্থতাত, তৃতীয় পক্ষৰ প্ৰতিশ্ৰুতি বা দায়িত্ব পালন কৰা।

নিশ্চয়তা প্ৰদান কৰা লোকজনক কোৱা হয় 'জামিন' (surety), যিজন লোকৰ ব্যৰ্থতাৰ ক্ষেত্ৰত নিশ্চয়তা প্ৰদান কৰা হয় তেওঁক কোৱা হয় 'প্ৰধান ঋণী (principal debtor) আৰু যিজন লোকক নিশ্চয়তা প্ৰদান কৰা হয় তেওঁক কোৱা হয় 'ঋণ দিওঁতা' (creditor)। একোটা নিশ্চয়তা মৌখিক বা লিখিত হ'ব পাৰে।

তৃতীয় ব্যক্তিৰ দায়বদ্ধতা আদায় দিয়াৰ ই এক চুক্তি, যেতিয়া তৃতীয় ব্যক্তি কাৰ্যকৰণত বিফল হয়। নিশ্চয়তাৰ চুক্তিৰ উদ্দেশ্য হৈছে যদি প্ৰধান ঋণীয়ে কাৰ্যকৰী কৰিব নোৱাৰে তেতিয়া নিৰ্দিষ্ট দায়বদ্ধতা পূৰণ কৰিবলৈ প্ৰতিশ্ৰুতিৰ ৰূপত ঋণ দিওঁতাক জামিনে দিয়া অতিৰিক্ত নিৰাপত্তা।

উদাহৰণ ঃ 'P'য়ে 'Q' ক 'R' ৰ হৈ ২০০০ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে, যদিহে, 'Q' ক ২০০০ টকা পৰিশোধ কৰাত 'R' ব্যৰ্থ হয়, তেন্তে 'P'য়ে পৰিশোধ কৰিব।

ইয়াত

'Q' হৈছে ঋণ দিওঁতা

'÷' হৈছে প্ৰধান ঋণী

'P' হৈছে জামিন

এনেদৰে, নিশ্চয়তাৰ চুক্তৰ ক্ষেত্ৰত নিম্নলিখিত উপাদানবোৰ থাকিব লাগিব—

- নিশ্চয়তাৰ চুক্তি মৌখিক বা লিখিত হ'ব পাৰে।
- প্ৰধান ঋণী থাকিব লাগে
- প্ৰধান ঋণীৰ মুনাফাৰ যথোচিত বিবেচনা থাকিব লাগে
- ভুল উপস্থাপন বা গোপনীয়তাৰ জৰিয়তে জামিনৰ সন্মতি আদায় কৰিব নালাগে।

গ্ৰহণযোগ্য নিশ্চয়তাৰ আৱশ্যকতা

(ক) **গ্ৰহণযোগ্য চুক্তিৰ আৱশ্যকতা ঃ** একোটা গ্ৰহণযোগ্য চুক্তিৰ আৱশ্যকতাবিলাক যেনে প্ৰস্তুত, গ্ৰহণ, মুক্ত সন্মতি, গ্ৰহণযোগ্য বিবেচনা, পক্ষসমূহৰ সক্ষমতা ইত্যাদি নিশ্চয়তাৰ চুক্তিত থাকিবই লাগিব।

(খ) **প্ৰাথমিকভাৱে দায়ৱদ্ধ কোনো লোক থাকিব লাগে ঃ** কোনো লোকৰ এক প্ৰাথমিক দায়ৱদ্ধতা থাকিব লাগে যিজন লোক নিশ্চয়তাৰ চুক্তিৰ জামিন হ'ব নালাগে। কেৱল তেতিয়াহে জামিন দায়বদ্ধ, যেতিয়া প্ৰধান ঋণীয়ে তেওঁৰ দায়বদ্ধতা আদায় দিয়াত ব্যৰ্থ হয়। যদি প্ৰধান ঋণী নাথাকে, নিশ্চয়তাৰ চুক্তি হ'ব নোৱাৰে। নাবালকৰ ঋণৰ বাবে দিয়া নিশ্চয়তা এই নিয়মৰ এক ব্যতিক্ৰম।

(গ) **ভুল উপস্থাপন থাকিব নালাগে ঃ** জামিনৰ দায়বদ্ধতাক প্ৰভাৱান্বিত কৰিব পৰা সকলো

বসুগত সত্য প্রকাশ কৰাৰ পিছত একোটা নিশ্চয়তা আহৰণ কৰিব লাগে। ঘটনাৰ সকলো সত্য জামিনে জানিবই লাগিব কিয়নো যদিহে তেওঁ নিজৰ কর্তব্যত অৱহেলা কৰে তেন্তে পৰিণতিৰ বাবে তেঁৱেই দায়বদ্ধ। অনুচ্ছেদ ১৪২ আৰু ১৪৩ৰ অধীনত ঋণ দিওঁতাৰ দ্বাৰা ভুল উপস্থাপন বা গোপনীয়তাৰে আহৰণ কৰা যিকোনো নিশ্চয়তা গ্রহণযোগ্য নহয়।

(ঘ) চুক্তি মৌখিক বা লিখিত হ'ব পাৰে ঃ চুক্তি আইনৰ অনুচ্ছেদ ১২৬ত উল্লেখ থকা অনুসৰি একোটা চুক্তি মৌখিক বা লিখিত হ'ব পাৰে।

ক্ষতিপূৰণৰ চুক্তি আৰু নিশ্চয়তাৰ চুক্তিৰ মাজত পার্থক্য আছে ঃ

ক্রঃ নং	**ক্ষতিপূৰণৰ চুক্তি**	**নিশ্চয়তাৰ চুক্তি**
১	ক্ষতিপূৰণৰ চুক্তিৰ সংজ্ঞা এনেদৰে দিয়া হৈছে— 'এটা চুক্তি যাৰ জৰিয়তে এটা পক্ষই আনটো পক্ষক প্রতিশ্রুতি দিওঁতে নিজে বা আন যিকোনো লোকে কৰা কামৰ বাবে তেওঁৰ ক্ষেত্রত (আনটো পক্ষ) হোৱা ক্ষতিৰ পৰা সুৰক্ষা দিয়াৰ প্রতিশ্রুতি দিয়ে।'	নিশ্চয়তাৰ চুক্তি হৈছে প্রতিশ্রুতি কার্যকৰী কৰা, বা তেওঁৰ ব্যর্থতাত তৃতীয় পক্ষই দায়বদ্ধতা আদায় দিয়াৰ এক চুক্তি।
২	ক্ষতিপূৰণৰ চুক্তিৰ অধীনত দুটা পক্ষ থাকে, 'ক্ষতিপূৰণ দিওঁতা' আৰু 'ক্ষতিপূৰণ পাওঁতা'।	নিশ্চয়তাৰ চুক্তিৰ অধীনত তিনিটা পক্ষ থাকে 'ঋণ দিওঁতা', 'প্রধান ঋণী' আৰু 'জামিন'।
৩	ক্ষতিপূৰণৰ চুক্তিয়ে প্রতিশ্রুতি পাওঁতাক ক্ষতিৰ পৰা ৰক্ষা কৰে।	নিশ্চয়তাৰ চুক্তি ঋণ দিওঁতাৰ জামিনৰ বাবে।
৪	ক্ষতিপূৰণৰ চুক্তি, প্রতিশ্রুতি দিওঁতাৰ প্রাথমিক দায়বদ্ধতা	নিশ্চয়তাৰ চুক্তিত, প্রাথমিক দায়বদ্ধতা প্রধান ঋণীৰ।
৫	ক্ষতিপূৰণৰ চুক্তিত, কেৱল এটাই চুক্তি থাকে, ক্ষতিপূৰণ দিওঁতা আৰু ক্ষতিপূৰণ পাওঁতাৰ মাজত।	নিশ্চয়তাৰ চুক্তিৰ ক্ষেত্রত তিনিটা চুক্তি থাকে— ১) ঋণ দিওঁতা আৰু প্রধান ঋণীৰ মাজত, ২) ঋণ দিওঁতা আৰু জামিনৰ মাজত আৰু ৩) প্রধান ঋণী আৰু জামিনৰ মাজত।
৬	সন্মুখীন হোৱা ক্ষতিৰ বাবে ক্ষতিপূৰণ দিওঁতাই তৃতীয় পক্ষৰ বিৰুদ্ধে আইনগত পদক্ষেপ ল'ব নোৱাৰে।	জামিনে প্রধান ঋণীৰ বিৰুদ্ধে আইনগত পদক্ষেপ ল'ব পাৰে।

৪.৪.১ নিশ্চয়তাৰ প্ৰকাৰ (Kinds of guarantee)

নিশ্চয়তাৰ চুক্তিৰ ক্ষেত্ৰত, প্ৰধান ঋণী ব্যৰ্থ হ'লে তেওঁৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিবৈ বা দায়বদ্ধতা সম্পন্ন কৰিবলৈ জামিন দায়বদ্ধ। এই নিশ্চয়তাৰ চুক্তি বিশেষ নিশ্চয়তা বা ধাৰাবাহিক নিশ্চয়তা হ'ব পাৰে।

বিশেষ নিশ্চয়তা হৈছে এক নিশ্চয়তাৰ চুক্তি য'ত একোটা নিৰ্দিষ্ট লেনদেনৰ ক্ষেত্ৰত প্ৰধান ঋণীৰ কাম-কাজৰ বিৰুদ্ধে জামিনে নিশ্চয়তা প্ৰদান কৰে। উদাহৰণ ঃ ঋণ পৰিশোধৰ বাবে 'C'ৰ হৈ 'A' ই 'B'ক ১৫০০০ টকা দিয়াৰ নিশ্চয়তা দিলে, যদি, 'B' ক সেইখিনি পৰিশোধ কৰাত 'C' ব্যৰ্থ হয়। ই হৈছে এটা বিশেষ নিশ্চয়তা য'ত ঋণ দিওঁতা 'B'ৰ সৈতে হোৱা নিৰ্দিষ্ট লেনদেনত প্ৰধান ঋণী 'C' ঋণ পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বিৰুদ্ধে জামিন 'এ'ই নিশ্চয়তা প্ৰদান কৰিছে।

ধাৰাবাহিক নিশ্চয়তাৰ ক্ষেত্ৰত, এলানি লেনদেনলৈ নিশ্চয়তা প্ৰসাৰিত হয়। ধাৰাবাহিক নিশ্চয়তা এছোৱা নিৰ্ধাৰিত সময় যেনে দুবছৰৰ বাবে এলানি লেনদেনলৈ প্ৰসাৰিত হ'ব পাৰে।

উদাহৰণ ঃ 'R' (প্ৰধান ঋণী)ক দুবছৰৰ ভিতৰত সময়ে সময়ে চাহ যোগান ধৰাৰ বাবে চাহ ব্যৱসায়ী 'Q' (ঋণ দিওঁতা)ক ১০০০ টকা দিব বুলি 'P' (জামিন)য়ে নিশ্চয়তা দিলে। প্ৰথম বছৰ 'Q'ক চাহ যোগান ধৰা বাবে 'R'ক ১০০০ টকা দিয়া হ'ল। এনেকৈ, 'R' পৰিশোধ কৰাত ব্যৰ্থ হোৱাত 'P'য়ে 'Q'ক ১০০০ টকা দিব লাগিব।

কিন্তু ধৰা হ'ল, দ্বিতীয় বছৰ চাহ ব্যৱসায়ী 'Q'-এ ১২০০ টকাত সময়ে সময়ে 'R'ক চাহ যোগান ধৰিলে। এতিয়া 'R'-য়ে ১২০০ টকা পৰিশোধ কৰিব নোৱাৰিলে 'P'য়ে 'Q'ক ১০০০ টকা দিব লাগিব।

ঋণ দিওঁতা

নিশ্চয়তাৰ চুক্তিৰ অধীনত, তিনিটা পক্ষ আছে— 'ঋণ দিওঁতা', 'প্ৰধান ঋণী' আৰু 'জামিন' আৰু তেওঁলোক তিনিটা চুক্তিত আবদ্ধ হয় অৰ্থাৎ প্ৰধান ঋণীৰ সৈতে ঋণ দিওঁতা, জামিনৰ সৈতে ঋণ দিওঁতা আৰু জামিনৰ সৈতে প্ৰধান ঋণী প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিবলৈ, বা দায়বদ্ধতা আদায় দিবলৈ, যদিহে প্ৰধান ঋণীয়ে নিজৰ কৰ্তব্য পালন কৰাত ব্যৰ্থ হয়। প্ৰধান ঋণী বা জামিনৰ বিৰুদ্ধে আইনগত পদক্ষেপ গ্ৰহণ কৰিবলৈ ঋণ দিওঁতাৰ অধিকাৰ আছে, যদিহে প্ৰধান ঋণীয়ে ধন পৰিশোধ কৰাত ব্যৰ্থ হয়। কেতবোৰ নিৰ্দিষ্ট ক্ষেত্ৰত আনজন লোকে সহ-জামিন হিচাপে যোগ নিদিয়া পৰ্যন্ত জামিনৰ নিশ্চয়তাৰ ওপৰত ঋণ দিওঁতাই পদক্ষেপ গ্ৰহণ নকৰিব আৰু প্ৰধান ঋণী বা জামিনৰ বিৰুদ্ধে আইনগত পদক্ষেপ গ্ৰহণ কৰাৰ অধিকাৰ ঋণ দিওঁতাৰ আছে। কিন্তু জামিনৰ চুক্তিৰ সময়ত লোৱা আমানত ঋণ দিওঁতাই হেৰুৱায়, তেতিয়া সেই পৰিমাণৰ ধনৰাশি পুনৰুদ্ধাৰৰ বাবে ঋণ দিওঁতাই পদক্ষেপ গ্ৰহণ কৰিব পাৰে। নিশ্চয়তাৰ চুক্তিৰ

পিছত ঋণ দিওঁতাই আমানত লাভ কৰে, সেই আমানতৰ ওপৰত জামিনৰ অধিকাৰ নাথাকে, আনহাতে সেইবিলাক আমানতৰ ওপৰত জামিনৰ অধিকাৰ থাকে যিবিলাক প্ৰধান ঋণীৰ ব্যৰ্থতাৰ হেতু পৰিশোধৰ বাবে সম্পন্ন কৰা জামিনৰ চুক্তিৰ সময়ত ঋণ দিওঁতাই লাভ কৰে।

জামিন

নিশ্চয়তাৰ চুক্তিৰ ক্ষেত্ৰত, জামিন হৈছে সেইজন লোক যিজনে ঋণ দিওঁতাক প্ৰধান ঋণীয়ে দিয়া প্ৰতিশ্ৰুতিৰ ব্যৰ্থতাৰ ফলত উদ্ভৱ হোৱা ক্ষতি চম্ভালি লয়। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১২৮ত জামিনৰ দায়বদ্ধতাৰ সংজ্ঞা এনেদৰে দিয়া আছে— 'জামিনৰ দায়বদ্ধতা প্ৰধান ঋণীৰ কামৰ সৈতে সংগতি ৰাখি প্ৰসাৰিত হয়, অন্যথা ই চুক্তিত উল্লেখ থকাৰ দৰে হয়।' ইয়াৰ অৰ্থ হৈছে, জামিনৰ দায়বদ্ধতা প্ৰধান ঋণীৰ দায়বদ্ধতাৰ সৈতে একে। প্ৰধান ঋণীৰ পৰা জামিনে যিখিনি পুনৰুদ্ধাৰ কৰিব পাৰে, সেইখিনিহে তেওঁৰ হাতৰ পৰা ঋণ দিওঁতাৰ দায়বদ্ধতাই পুনৰুদ্ধাৰ কৰিব পাৰে। ওপৰৰ উদাহৰণত যিদৰে কোৱা হৈছে, 'R' (প্ৰধান ঋণী)ক দুবছৰৰ ভিতৰত সময়ে সময়ে চাহ যোগান ধৰাৰ বাবে চাহ ব্যৱসায়ী 'Q' (ঋণ দিওঁতা)ক ১০০০ টকা দিব বুলি 'P' (জামিন)য়ে নিশ্চয়তা দিলে। এনেদৰে, পৰিশোধ কৰাত 'R' ব্যৰ্থ হ'লেহে 'P' (জামিন)য়ে 'Q' (ঋণ দিওঁতা)ক ১০০০ টকা দিব লাগিব।

প্ৰধান ঋণীয়ে ঋণ দিওঁতাক কৰা যিকোনো পৰিশোধৰ বাবে প্ৰধান ঋণীৰ দায়বদ্ধতা যদি হ্ৰাস কৰা হয়, তেতিয়া সেই মতেই জামিনৰ দায়বদ্ধতাও হ্ৰাস পাব। এতিয়া, ধৰা হ'ল 'R'য়ে 'কিউ'ক ২০০ টকা দিলে, তেন্তে 'R'ৰ ব্যৰ্থতাৰ বাবে 'Q'ক 'P'য়ে পৰিশোধ কৰিবলৈ বাকী থকা দায়বদ্ধতা হৈছে ৮০০ টকা।

আনহাতে, কাৰ্যকৰী কৰিব নোৱৰা আইন বহিৰ্ভূত চুক্তিৰ বাবে প্ৰধান ঋণীয়ে হোৱা দায়বদ্ধতাৰ ক্ষেত্ৰত জামিন দায়বদ্ধ নহয়। তদুপৰি, যদি প্ৰধান ঋণী কোনো ক্ষেত্ৰত ব্যৰ্থ হয় তেতিয়া ঋণ দিওঁতাই প্ৰধান ঋণী বা জামিন বা উভয়ৰে বিৰুদ্ধে আইনগত পদক্ষেপ গ্ৰহণ কৰিব পাৰে।

চুক্তিৰ দ্বাৰা জামিনৰ দায়বদ্ধতাৰ ওপৰত সীমা

ওপৰত কৈ অহা হৈছে যে জামিনৰ দায়বদ্ধতা প্ৰধান ঋণীৰ কামৰ সৈতে সংগতি ৰাখি প্ৰসাৰিত হয়, অন্যথা ই চুক্তিত উল্লেখ থকাৰ দৰে হয়, অৰ্থাৎ যদি পক্ষসমূহৰ মাজৰ চুক্তিত কোৱা হয়, যদি প্ৰধান ঋণীয়ে নিজৰ দায়বদ্ধতা পালনত ব্যৰ্থ হয়, সেই অনুসৰি জামিনৰ দায়বদ্ধতা হ্ৰাস পাব পাৰে। উদাহৰণ স্বৰূপে, চাহ ব্যৱসায়ী 'Q' (ঋণ দিওঁতা)ক ৬০০ টকা দিব বুলি 'পি'য়ে নিশ্চয়তা দিলে আৰু বিনিময়ত বছৰটোত সময়ে সময়ে 'Q'ৰে 'আৰ'ক (প্ৰধান ঋণী) চাহ যোগান ধৰিব য'ত 'R' ১৫০০ টকা দিবলৈ দায়ব। এনেদৰে, 'P' (জামিন) য়ে 'Q' (ঋণ দিওঁতা)ক তেতিয়াহে ৬০০ টকা দিব যেতিয়া 'R'য়ে ১৫০০ টকা দিব নোৱাৰিব।

সহ-জামিন আৰু ইয়াৰ দায়বদ্ধতা

কেতবোৰ নির্দিষ্ট ঘটনাত, আনজন লোকে সহ-জামিন হিচাপে যোগ নিদিয়া পর্যন্ত ঋণ দিওঁতাই জামিনৰ নিশ্চয়তাৰ ওপৰত পদক্ষেপ গ্ৰহণ নকৰিব। এনেদৰে, এনে চুক্তিত সহ-জামিনে চুক্তি যোগ দিলেহে জামিনক দায়বদ্ধ কৰিব পৰা যায়, অন্যথা নোৱাৰি। ওপৰত কৈ অহা হৈছে যে জামিনৰ দায়বদ্ধতা প্ৰধান ঋণীৰ কামৰ সৈতে সংগতি ৰাখি প্ৰসাৰিত হয়, অন্যথা ই চুক্তিত উল্লেখ থকাৰ দৰে হয়, অর্থাৎ এই একেই নীতি প্ৰযোজ্য আৰু কাজেই জামিনৰ অধিকাৰ আৰু দায়বদ্ধতা একে আৰু এনেকৈ, পক্ষসমূহৰ মাজৰ চুক্তিত এই কথা কোৱা হয়, প্ৰধান ঋণীৰ দায়বদ্ধতা অনুসৰি জামিনৰ দায়বদ্ধতা হ্ৰাস পাব পাৰে। তদুপৰি, যদি প্ৰধান ঋণী কোনো ক্ষেত্ৰত ব্যর্থ হয় তেতিয়া ঋণ দিওঁতাই প্ৰধান ঋণী বা জামিন বা উভয়ৰে বিৰুদ্ধে আইনগত পদক্ষেপ গ্ৰহণ কৰিব পাৰে আৰু তেওঁলোকৰ যিকোনো এজনক পদক্ষেপৰ বাবে বাছনি কৰিবলৈ সহ-জামিনে ঋণ দিওঁতাক উচতনি দিব নোৱাৰে।

জামিনৰ অধিকাৰ

নিম্নোল্লিখিত তিনিটা শিতানত জামিনৰ অধিকাৰক শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ

(ক) প্ৰধান ঋণীৰ বিৰুদ্ধে অধিকাৰ,

(খ) ঋণ দিওঁতাৰ বিৰুদ্ধে অধিকাৰ,

(গ) সহ-জামিনৰ বিৰুদ্ধে অধিকাৰ।

ক) প্ৰধান ঋণীৰ বিৰুদ্ধে অধিকাৰ

- **গোচৰত নাম সলনি কৰাৰ অধিকাৰ ঃ** নিশ্চয়তা প্ৰদান কৰা ঋণৰ বিপৰীতে প্ৰধান ঋণীৰ ব্যর্থতাৰ ওপৰত যেতিয়া জামিনে ধন পৰিশোধ কৰে, তেতিয়া প্ৰধান ঋণীৰ বিৰুদ্ধে ঋণ দিওঁতাৰ যিবোৰ অধিকাৰ থাকে সেই সকলো তেওঁ লাভ কৰে।
- **ক্ষতিপূৰণ লাভৰ অধিকাৰ ঃ** প্ৰতিটো নিশ্চয়তাৰ চুক্তিত, জামিনক ক্ষতিপূৰণ দিব বুলি প্ৰধান ঋণীৰ দ্বাৰা এক প্ৰযোজ্য প্ৰতিশ্ৰুতি থাকে আৰু এই জামিন উল্লিখিত নিশ্চয়তাত সঠিকভাৱে যি পৰিমাণ পৰিশোধ কৰা হয় প্ৰধান ঋণীৰ পৰা তাক পুনৰুদ্ধাৰ কৰিব পাৰে। পৰিশোধ কৰা ঋণৰ পৰিমাণৰ বাহিৰত যদি তেওঁ যিকোনো ক্ষতিৰ সন্মুখীন হয়, সেই ক্ষতিও তেওঁ পুনৰুদ্ধাৰ কৰিব পাৰে।

খ) ঋণ দিওঁতাৰ বিৰুদ্ধে অধিকাৰ

- **আমানত (security) দাবী কৰাৰ অধিকাৰ ঃ** আইনৰ অনুচ্ছেদ ১৪১ অনুসৰি, ঋণ দিওঁতাক পৰিশোধ কৰাৰ পিছত বা নিজৰ কর্তব্য সম্পন্ন কৰাৰ পিছত জামিনে বিচাৰ প্ৰক্ৰিয়াত নাম সলনি কৰিব পাৰে। ঋণ দিওঁতাৰ সকলো অধিকাৰ জামিনলৈ হস্তান্তৰিত হয়। সেই মতে, জামিনে প্ৰতিটো আমানতৰ মুনাফাৰ অধিকাৰ লাভ কৰে, যি অধিকাৰ প্ৰধান ঋণীৰ বিৰুদ্ধে ঋণ দিওঁতাৰ থাকে,

আনকি এনে আমানত থকাৰ কথা জামিনে গম নাপালেও। যদি ঋণ দিওঁতাই আমানত হেৰুৱায় তেতিয়া জামিনক তেওঁৰ আমানতৰ মূল্যৰ পৰিমাণত দায়বদ্ধতাৰ পৰা খালাচ দিয়া হয়।

- **ওলোটাই দাবী কৰাৰ অধিকাৰ ঃ** ওলোটাই দাবী কৰা (set off) মানে হৈছে ঋণৰ পৰিমাণৰ পৰা কর্তন কৰা। যদি ঋণ দিওঁতাই জামিনৰ বিৰুদ্ধে আইনগত পদক্ষেপ গ্ৰহণ কৰে, তেওঁ তেতিয়া ওলোটাই দাবী কৰিব পাৰে, যিটো ঋণ দিওঁতাৰ বিৰুদ্ধে ঋণীৰ আছিল।
- **হ্ৰাসকৰণ ভগাই লোৱাৰ অধিকাৰ ঃ** যদি প্ৰধান ঋণীৰ হৈ জামিনে ঋণ দিওঁতাক ধনৰাশি পৰিশোধ কৰে আৰু ঋণীৰ পৰা পুনৰুদ্ধাৰ কৰিবলগীয়া ধনৰাশি ওভতাই দিব নোৱৰাকৈ তেওঁ দেউলীয়া হয়, তেতিয়া জামিনে ঋণ দিওঁতাৰ পৰা তেওঁ দায়বদ্ধতা হ্ৰাস কৰিবলৈ দাবী কৰিব পাৰে, এই হ্ৰাসৰ পৰিমাণ ঋণীৰ আনুষ্ঠানিক গ্ৰহণ কৰোতাৰ পৰা ঋণ দিওঁতাই দাবী কৰা লভ্যাংশৰ পৰিমাণ পর্যন্ত হ'ব পাৰে।
- **ঋণীৰ সেৱা সমাপ্ত কৰিবলৈ ঋণ দিওঁতাক কোৱাৰ অধিকাৰ ঃ** যেতিয়া এজন লোকে আন এজন কর্মচাৰীৰ সৎ কাম-কাজৰ বাবে নিশ্চয়তা প্ৰদান কৰে আৰু কর্মচাৰীজন ব্যর্থ হয়, তেতিয়া জামিনে এই দাবী কৰাৰ অধিকাৰ আছে যে কর্মচাৰীজনক বর্খাস্ত কৰিব লাগে। সাধাৰণতে এনে বর্খাস্তবিলাক বিশ্বস্ততাৰ চুক্তিৰ ক্ষেত্ৰত কৰা হয়, উদাহৰণ স্বৰূপে বীমা সম্পর্কীয় চুক্তিবিলাক।

গ) সহ-জামিনৰ বিৰুদ্ধে অধিকাৰ

- **বৰঙণি আগবঢ়োৱাৰ অধিকাৰ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৪৬ৰ অধীনত একে ধনৰাশিৰ বাবে য'ত সহ-জামিন থাকে, প্ৰধান ঋণীয়ে পৰিশোধ নকৰাকৈ থকা ঋণৰ একোটা সমান ভাগ ভগাই ল'বলৈ তেওঁলোক দায়বদ্ধ। যদি এজন জামিনে নিজৰ অংশতকৈ অধিক পৰিশোধ কৰে তেতিয়া ঋণৰ সমান পৰিমাণ আদায় দিবৰ বাবে আনজন জামিনক কোৱাৰ অধিকাৰ তেওঁৰ থাকে।
- **ভিন ভিন পৰিমাণত বাধ্যবাধকতা ঃ** যদি সহ-জামিনসকল বেলেগ বেলেগ পৰিমাণৰ ধনৰাশিত বদ্ধপৰিকৰ, তেওঁলোকৰ দায়বদ্ধতা সমানে ভাগ হ'ব, তেওঁলোকৰ প্ৰত্যেকে নিশ্চয়তা প্ৰদান কৰা সর্বাধিক ধনৰাশি অনুসৰি।
- **আমানতৰ মুনাফা ভগাই লোৱাৰ অধিকাৰ ঃ** যদি নিশ্চয়তাৰ সময়ত, সহ-জামিনসকলৰ এজনে প্ৰধান ঋণীৰ পৰা এটা আমানত গ্ৰহণ কৰে, বা ঋণ পৰিশোধ কৰোতে, তেওঁ ঋণ দিওঁতাৰ পৰা আমানত গ্ৰহণ কৰে। এনে ক্ষেত্ৰত, আমানতৰ মুনাফা ভগাই ল'বলৈ সহ-জামিনসকলৰ অধিকাৰ আছে।

দায়বদ্ধতাৰ পৰা জামিনক খালাচ কৰা

- **জামিনৰ দ্বাৰা খণ্ডন ঃ** ভৱিষ্যতৰ লেনদেনৰ বাবে ঋণ দিওঁতলৈ জাননী দি জামিনে একোটা চলমান নিশ্চয়তা খণ্ডন কৰিব পাৰে।

- **চুক্তিৰ চৰ্তাৱলীত পাৰ্থক্যৰ দ্বাৰা ঃ** আশা কৰা হৈছে যে যি নিৰ্দিষ্ট চৰ্তাৱলীৰ অধীনত প্ৰধান ঋণীৰ ব্যৰ্থতাৰ বাবে পৰিশোধ কৰিবলৈ সন্মতি প্ৰদান কৰা হয়, উক্ত নিৰ্দিষ্ট সময়ৰ বাবে সেয়া অপৰিৱৰ্তনীয় থাকিব লাগে আৰু জামিনৰ সন্মতি নোহোৱাকৈ যদি ইয়াক সলনি কৰা হয়, তেতিয়া নিশ্চয়তাৰ চুক্তিৰ পৰা জামিন খালাচ হয়।
- **প্ৰধান ঋণীৰ খালাচ ঃ** প্ৰধান ঋণী তেওঁৰ ঋণৰ পৰা খালাচ হ'লে, জামিন নিশ্চয়তাৰ চুক্তিৰ পৰা খালাচ হয়।
- **যেতিয়া ঋণ দিওঁতাই সন্মতি প্ৰকাশ কৰে, সময় দিয়ে বা প্ৰধান ঋণীৰ বিৰুদ্ধে আইনগত পদক্ষেপ নলয় ঃ** যদি জামিনে এনে চুক্তিত নিজৰ সন্মতি প্ৰদান কৰে য'ত ঋণ দিওঁতাই ঋণ পৰিশোধৰ বাবে সময় দিয়ে বা প্ৰধান ঋণীৰ বিৰুদ্ধে আইনগত পদক্ষেপ নলয়, তেতিয়া জামিন তেওঁৰ দায়বদ্ধতাৰ পৰা খালাচ হয়।
- **ঋণ দিওঁতাই আমানত হেৰুৱালে ঃ** যেতিয়া ঋণ দিওঁতাই আমানত হেৰুৱায়, যি আমানত ঋণ দিওঁতাই জামিনৰ চুক্তিৰ সময়ত লৈছিল, তেতিয়া সেই পৰ্যায়লৈ জামিন তেওঁৰ দায়বদ্ধতাৰ পৰা খালাচ হয়।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৩ঃ নিশ্চয়তাৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ৪ঃ জামিন কোন?

.....

.....

৪.৫ জিম্মা (BAILMENT)

ক্ষতিপূৰণৰ চুক্তি হৈছে ধন বা সামগ্ৰীৰ ক্ষতিৰ বিৰুদ্ধে সুৰক্ষাৰ ব্যৱস্থা কৰা। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৪৮ অনুসৰি জিম্মাৰ সংজ্ঞাত কোৱা হৈছে— 'চুক্তিৰ জৰিয়তে এজন ব্যক্তিয়ে আন এজনক, উদ্দেশ্য সাধন হোৱাৰ পিছত অপৰ্ণকাৰীক প্ৰত্যৰ্পণ কৰাৰ বা অৰ্পণকাৰীৰ নিৰ্দেশ অনুসৰি ব্যৱস্থা লোৱাৰ চৰ্তত কোনো বস্তু অপৰ্ণ কৰিলে, সেই অপৰ্ণক জিম্মা বুলি কোৱা হয়।' সামগ্ৰী আদায় দিয়া লোকজনক কোৱা হয় 'জিম্মা দিওঁতা' (bailor), যিজন লোকক সামগ্ৰী দিয়া হয় তেওঁক কোৱা হয় 'জিম্মা লওঁতা' (bailee)। এনেদৰে, জিম্মাত দুটা প্ৰধান আৱশ্যকতা থাকে—

(ক) এটা চুক্তিৰ ওপৰত কিছুমান উদ্দেশ্য আগত ৰাখি এজন লোকে আন এজনক সামগ্ৰী আদায় দিয়া।

(খ) যেতিয়া উদ্দেশ্য পূৰণ হয় সামগ্ৰীবিলাক ওভতাই দিয়া হয় বা সেইবিলাক আদায় দিয়া লোকজনৰ নিৰ্দেশনা অনুসৰি নিষ্পত্তি কৰা হয়।

১। এটা চুক্তিৰ ওপৰত কিছুমান উদ্দেশ্য আগত ৰাখি এজন লোকে আন এজনক সামগ্ৰী আদায় দিয়া

ইয়াৰ অৰ্থ হৈছে এজনৰ পৰা আন এজনলৈ সামগ্ৰী দিয়া বা হস্তান্তৰ কৰা। ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৪৮ অনুসৰি এই হস্তান্তৰ বাস্তৱত হ'বও পাৰে নহ'বও পাৰে। এজন লোকে সামগ্ৰীখিনি আন এক চুক্তিৰ বাবে জিম্মা লওঁতা হিচাপে ৰাখিব পাৰে আৰু যদিও জিম্মাৰ অধীনত সামগ্ৰী আদায় দিয়া নহয়, গৰাকীজন হৈছে জিম্মা দিওঁতা। উদাহৰণ স্বৰূপে, 'P'য়ে তেওঁৰ ঘোঁৰাতো 'Q'ক বিক্ৰী কৰিলে। কিন্তু ঘোঁৰাটো 'Q'ৰ হৈ এমাহৰ বাবে নিজৰ লগতে ৰাখিবলৈ 'P'য়ে খুজিলে। এই বিক্ৰীৰ আগলৈকে 'P'য়ে ঘোঁৰাটো গৰাকী হিচাপে ৰাখিছিল, কিন্তু এতিয়া তেওঁ 'Q'ৰ বাবে জিম্মা লওঁতা হিচাপে ঘোঁৰাটো ৰাখিছে।

২। যেতিয়া উদ্দেশ্য পূৰণ হয় তেতিয়া সামগ্ৰী ওভতাই দিয়া হয় বা সেইবিলাক আদায় দিয়া লোকজনৰ নিৰ্দেশনা অনুসৰি নিষ্পত্তি কৰা হয়।

কেৱল কিছুমান উদ্দেশ্য সাধনৰ বাবে এজনৰ পৰা আনজনলৈ সামগ্ৰী আদায় দিয়া বা হস্তান্তৰ কৰা হয় বা সেই সামগ্ৰী আদায় দিয়া লোকজনৰ নিৰ্দেশনা অনুসৰি সেইবিলাক নিষ্পত্তি কৰা হয়। এনেদৰে ই বিক্ৰী কৰা বা উপহাৰ দিয়াতকৈ পৃথক। ইয়াত সামগ্ৰীখিনি একেই বা পৰিৱৰ্তিত ৰূপত ওভতাই দিব লাগে।

৪.৫.১ জিম্মাৰ প্ৰকাৰ (Kinds of bailment)

মুনাফা আৰু পুৰস্কাৰৰ ভিত্তিত জিম্মাক শ্ৰেণীবদ্ধ কৰিব পাৰি। মুনাফাৰ ভিত্তিত বন্ধকক নিম্নোল্লিখিত তিনিটা প্ৰকাৰত শ্ৰেণীবদ্ধ কবি পাৰি ঃ

(ক) **জিম্মাক দিওঁতাৰ একচেতীয়া মুনাফাৰ বাবে জিম্মা ঃ** যেতিয়া জিম্মা দিওঁতাৰ একচেতিয়া মুনাফাৰ বাবে সামগ্ৰী জিম্মা দিওঁতাই জিম্মা লওঁতাক আদায় দিয়ে আৰু জিম্মা লওঁতাই বিনিময়ত একো নাপায়, সেয়া হৈছে জিম্মা দিওঁতা আৰু লওঁতাৰ নিজস্ব বিবেচনা কোনো চুক্তি ইয়াত নহয়। যেনে যেতিয়া কোনো মাচুল নোহোৱাকৈ ওচৰ-চুবুৰীয়া বা আন কাৰোবাক সুৰক্ষিত জিম্মাৰ ববে সামগ্ৰী আদায় দিয়া হয়।

(খ) **জিম্মা লওঁতাৰ একচেতীয়া মুনাফাৰ বাবে জিম্মা ঃ** যেতিয়া জিম্মা লওঁতাৰ একচেতীয়া মুনাফাৰ বাবে সামগ্ৰী জিম্মা দিওঁতাই লওঁতাক আদায় দিয়ে আৰু জিম্মা দিওঁতাই বিনিময়ত একো নাপায়, কাজেই বিবেচনাৰ কোনো চুক্তি জিম্মা দিওঁতা আৰু লওঁতাৰ মাজত সম্পন্ন নহয়। যেনে— ক'ৰবালৈ যাবলৈ এজন বন্ধুক আনজনে গাড়ীখন দিয়া।

(গ) **জিম্মা দিওঁতা আৰু লওঁতাৰ উভয়ৰে পাৰস্পৰিক মুনাফাৰ বাবে ঃ** যেতিয়া

উভয় পক্ষৰ পাৰস্পৰিক মুনাফাৰ বাবে জিম্মা দিওঁতাই লওঁতাৰ সামগ্ৰী আদায় দিয়ে, তেতিয়া জিম্মা দিওঁতা আৰু লওঁতাৰ মাজত বিবেচনাৰ চুক্তি হয়। পুৰস্কাৰৰ ভিত্তিত জিম্মাক নিম্নলিখিত প্ৰকাৰত ভাগ কৰিব পাৰি ঃ

(১) সদিচ্ছামূলক জিম্মা ঃ এই ক্ষেত্ৰত জিম্মা দিওঁতা আৰু লওঁতাৰ মাজত কোনো বিবেচনাৰ চুক্তি সম্পন্ন নহয়। ইয়াত জিম্মা দিওঁতা বা লওঁতাই কোনোধৰণৰ মামনী নাপায়।

(২) অ-সদিচ্ছামূলক জিম্মা ঃ এই ক্ষেত্ৰত জিম্মা দিওঁতা আৰু লওঁতাৰ মাজত বিবেচনাৰ চুক্তি সম্পন্ন হয়। জিম্মা দিওঁতা আৰু লওঁতাৰ পাৰস্পৰিক মুনাফাৰ বাবে সম্পন্ন হোৱা জিম্মা হৈছে অ-সদিচ্ছামূলক জিম্মা। যেনে এখন দুচকীয়া বাহন ভাড়ালৈ অনা।

জিম্মা দিওঁতাৰ কৰ্তব্য ঃ

তলত দিয়া দিওঁতাৰ কৰ্তব্যবিলাক আলোচনা কৰা হৈছে —

(ক) **জিম্মা দিয়া সামগ্ৰীত থকা আসোঁৱাহ প্ৰকাশ কৰা ঃ** জিম্মা দিওঁতাই জিম্মা লওঁতাক দিয়া সামগ্ৰীত থকা জ্ঞাত আসোঁৱাহৰ কথা প্ৰকাশ কৰিব লাগে। যদি জিম্মা দিওঁতাই আসোঁৱাহৰ কথা প্ৰকাশ নকৰে তেতিয়া তেওঁ এনে আসোঁৱাহৰ বাবে জিম্মা লওঁতাই সন্মুখীন হোৱা যিকোনো ক্ষতিৰ বাবে দায়বদ্ধ, সেই আসোঁৱাহৰ বিষয়ে জিম্মা লওঁতা অৱগত হওঁক বা নহওঁক।

(খ) **আৱশ্যকীয় ব্যয় পুনৰ পৰিশোধ ঃ** সদিচ্ছামূলক জিম্মাৰ ক্ষেত্ৰত, জিম্মা দিওঁতাই লওঁতাক সকলো আৱশ্যকীয় ব্যয় পুনৰ পৰিশোধ কৰিব লাগে, যিবিলাক ব্যয় জিম্মাৰ উদ্দেশ্যে তেওঁ নিজে সৃষ্টি কৰে। অ-সদিচ্ছামূলক জিম্মাৰ ক্ষেত্ৰ কেৱল অসাধাৰণ ব্যয়বিলাক বহন কৰিবলৈহে জিম্মা দিওঁতা দায়বদ্ধ।

(গ) **জিম্মা লওঁতাক ক্ষতিপূৰণ দিয়া ঃ** নিৰ্ধাৰিত সময়ৰ আগতেই যদি জিম্মা দিওঁতাই সদিচ্ছামূলক জিম্মাৰ অন্ত পেলায় তেন্তে এনে সমাপ্তিৰ বাবে জিম্মা লওঁতাই সন্মুখীন হোৱা যিকোনো ধৰণৰ হানিৰ বাবে জিম্মা দিওঁতা দায়বদ্ধ নহয়। অৱশ্যে জিম্মা লওঁতাই সন্মুখীন হোৱা হানি যদি তেওঁ জিম্মাৰ পৰা পাব লগা মুনাফাতকৈ অধিক হয় তেতিয়া জিম্মা দিওঁতাই লওঁতাক ক্ষতিপূৰণ দিব লাগে।

(ঘ) **সামগ্ৰী ওভতাই লোৱা ঃ** যি উদ্দেশ্য আগত ৰাখি সামগ্ৰী জিম্মা দিয়া হৈছিল সেই উদ্দেশ্য যদি পূৰণ হয়, তেতিয়া জিম্মা লওঁতাৰ পৰা সামগ্ৰী ওভটাই লোৱাটো জিম্মা দিওঁতাৰ কৰ্তব্য। যদি জিম্মা দিওঁতাই সামগ্ৰী ওভতাই ল'বলৈ অস্বীকাৰ কৰে তেতিয়া তেওঁ জিম্মা লওঁতাক ক্ষতিপূৰণ দিব লাগিব, যি সামগ্ৰী জিম্মাৰত ৰখাৰ বিনিময়ত খৰচ বহন কৰে।

(ঙ) **স্বত্বত থকা ত্ৰুটিৰ ফলত হোৱা যিকোনো ক্ষতিৰ দায়বদ্ধতা ঃ** যদি সামগ্ৰীৰ

স্বত্ব ত্রুটিপূর্ণ হয় আৰু তাৰ বাবে জিম্মা লওঁতা ক্ষতিৰ সন্মুখীন হয় তেতিয়া জিম্মা লওঁতাই সন্মুখীন হোৱা ক্ষতিৰ বাবে জিম্মা দিওঁতা দায়বদ্ধ।

জিম্মা লওঁতাৰ কর্তব্য

তলত জিম্মা লওঁতাৰ কর্তব্যবিলাক আলোচনা কৰা হৈছে ঃ

(ক) **সামগ্রীৰ উচিত যতন লোৱা ঃ** ভাৰতীয় চুক্তি আইন, ১৮৭২ৰ অনুচ্ছেদ ১৫১ অনুসৰি, 'জিম্মা লওঁতাই সাধাৰণ সর্তক লোক হিচাপে সামগ্রীৰ যতন ল'ব লাগিব। একে বাতাৰৰণৰ অধীনত, নিজৰ সামগ্রী যেনেকৈ ৰাখে, ঠিক একে আকাৰ, মান আৰু মূল্য অটুট ৰাখি জিম্মাী সামগ্রী ৰাখিব লাগিব'। অনুচ্ছেদ ১৫২ত কোৱা হৈছে যে সকলো উচিত যতন লোৱাৰ পিছতো যদি যিকোনো প্রকাৰে সামগ্রী নষ্ট বা ধ্বংস হয়, তেন্তে জিম্মাত থকা সামগ্রী নষ্ট বা ধ্বংস হোৱা বাবে জিম্মা লওঁতা দায়বদ্ধ নহয়।

(খ) **সামগ্রীৰ অকর্তৃত্বশীল ব্যৱহাৰ নকৰিব ঃ** জিম্মা লওঁতাই এনেধৰণে সামগ্রী ব্যৱহাৰ কৰিব নোৱাৰিব যিটো চুক্তিৰ চর্তৰ পৰিপন্থী। যদি জিম্মা লওঁতাই চুক্তিৰ পৰিপন্থী ৰূপত সামগ্রী ব্যৱহাৰ কৰে তেন্তে এনে ব্যৱহাৰৰ ফলত উদ্ভৱ হোৱা যিকোনো ক্ষতিৰ বাবে জিম্মা লওঁতাই দিওঁতাক ক্ষতিপূৰণ দিব লাগিব।

(গ) **জিম্মাী সামগ্রী নিজৰ সামগ্রীৰ লগত মিহলি নকৰিব ঃ** জিম্মা লওঁতাই জিম্মাৰ সামগ্রী নিজৰ সামগ্রীৰ লগত মিহলি কৰিব নোৱাৰিব। যদি জিম্মা লওঁতাই জিম্মাৰ সামগ্রী তেওঁৰ নিজৰ সামগ্রীৰ লগত মিহলি কৰে, তেন্তে ঃ

(১) জিম্মা দিওঁতাৰ সন্মতি সাপেক্ষে ঃ এনে ক্ষেত্রত সামগ্রী মিহলোৱাৰ ফলত সৃষ্টি হোৱা মিশ্রণৰ ওপৰত জিম্মা দিওঁতা আৰু লওঁতাৰ নিজ নিজ অংশৰ স্বার্থ থাকিব।

(২) জিম্মা দিওঁতাৰ সন্মতি অবিহনেই সামগ্রী পৃথক কৰিব পাৰি ঃ এই ক্ষেত্রত পৃথকীকৰণৰ ফলত উদ্ভৱ হোৱা ব্যয় বহন কৰাৰ লগতে এনে মিশ্রণৰ ফলত সৃষ্টি হোৱা জিম্মা সামগ্রীৰ ক্ষতিৰ বাবে জিম্মা লওঁতা দায়বদ্ধ।

(ঘ) **জিম্মা সামগ্রী ওভতাই দিয়া ঃ** অনুচ্ছেদ ১৬০ অনুসৰি, যি উদ্দেশ্য আগত ৰাখি সামগ্রী জিম্মা দিয়া হৈছিল সেই উদ্দেশ্য পূৰণ হোৱাৰ লগে লগে বা যি সময়ৰ বাবে জিম্মা দিয়া হৈছিল সেই সময় শেষ হোৱাৰ লগে লগে কোনো দাবী নকৰাকৈ জিম্মা দিওঁতাৰ নির্দেশনা অনুসৰি জিম্মা সামগ্রী ওভতাই দিয়াটো জিম্মা লওঁতাৰ কর্তব্য। আকৌ অনুচ্ছেদ ১৬৫ অনুসৰি, 'য'ত কেইবাজনো যুটীয়া জিম্মা দিওঁতা থাকে, তেতিয়া জিম্মা লওঁতাই যিকোনো এজন যুটীয়া স্বত্বাধিকাৰীক সামগ্রী ওভতাই দিব পাৰে।'

(ঙ) **অর্জিত বৃদ্ধি বা লাভ ওভতাই দিয়া ঃ** অনুচ্ছেদ ১৬৩ অনুসৰি, বিপৰীত দিশত কোনো চুক্তি নাথাকিলে, জিম্মা সামগ্রীৰ পৰা অর্জন কৰা যিকোনো বৃদ্ধি বা

লাভ জিম্মা লওঁতাই দিওঁতাক আদায় দিবলৈ বা তেওঁৰ নির্দেশানুসাৰে নিষ্পত্তি কৰিবলৈ বাধ্য।

জিম্মা দিওঁতাৰ অধিকাৰ

জিম্মা দিওঁতাৰ অধিকাৰবিলাক তলত দিয়া হ'ল ঃ

(ক) **বিচাৰ দাবী কৰাৰ অধিকাৰ ঃ** জিম্মা লওঁতাৰ কর্তব্য আৰু দায়বদ্ধতা কার্যকৰী কৰাবৰ বাবে জিম্মা দিওঁতাই লওঁতাক বিচাৰৰ আওতালৈ আনিব পাৰে।

(খ) **বাতিল কৰাৰ অধিকাৰ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৫৩ অনুসৰি, জিম্মা দিওঁতাই যদি এই কথা প্রতিপন্ন কৰিব পাৰে যে জিম্মা লওঁতাই এনে কার্য সম্পন্ন কৰিছে যি চুক্তিৰ চর্তাৱলীৰ পৰিপন্থী তেতিয়া তেওঁ যিকোনো সময়ত চুক্তি বাতিল কৰিব পাৰে।

(গ) **যিকোনো সময়ত সামগ্রীৰ প্রতিদান দাবী কৰাৰ অধিকাৰ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৫৯ অনুসৰি, জিম্মা লওঁতাক জিম্মা দিওঁতাই সামগ্রী সদিচ্ছামূলকভাৱে দিয়াৰ ক্ষেত্রত, সময় শেষ হোৱাৰ আগতেই যিকোনো সময়ত জিম্মা দিওঁতাই চুক্তি বাতিল কৰিব পাৰে। অৱশ্যে যদিহে এই বাতিলকৰণে জিম্মা লওঁতাক ক্ষতিগ্রস্ত কৰে আৰু তেওঁ লাভ কৰা মুনাফাতকৈ এই ক্ষতি অধিক হয় তেতিয়া জিম্মা দিওঁতাই লওঁতাক ক্ষতিপূৰণ দিব লাগিব।

(ঘ) **জিম্মা লওঁতাৰ দ্বাৰা সামগ্রীৰ অকর্তৃত্বশীল ব্যৱহাৰ ঃ** অনুচ্ছেদ ১৫৪ অনুসৰি, যদি জিম্মা লওঁতাই জিম্মীৰ চর্তৰ পৰিপন্থী ৰূপত সামগ্রী ব্যৱহাৰ কৰে, তেতিয়া এনে অকর্তৃত্বশীল ব্যৱহাৰৰ ফলত উদ্ভৱ হোৱা যিকোনো ক্ষতিৰ বাবে জিম্মা দিওঁতাক ক্ষতিপূৰণ দিবলৈ তেওঁ দায়বদ্ধ।

(ঙ) **ক্ষতিপূৰণ দাবী ঃ** জিম্মা লওঁতাৰ অৱহেলাৰ বাবে জিম্মা সামগ্রীৰ ক্ষতি, ধ্বংস বা মানদণ্ড সলনিৰ বাবে জিম্মা দিওঁতাৰ ক্ষতিপূৰণ দাবী কৰাৰ অধিকাৰ আছে।

(চ) **অনিষ্টকাৰীৰ বিৰুদ্ধে আইনগত পদক্ষেপ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৮০ অনুসৰি, যদি কোনো লোকে জিম্মা লওঁতাক সামগ্রীৰ সঠিক ব্যৱহাৰৰ পৰা আতৰাই নি ভুল পথে পৰিচালিত কৰে বা এনে কৰি কোনোধৰণৰ ক্ষতিৰ সৃষ্টি কৰে তেন্তে এনে হানি বা বিপক্ষে পৰিচালনা কৰা বাবে সেই লোকজনৰ বিৰুদ্ধে জিম্মা দিওঁতা বা লওঁতাই গোচৰ তৰিব পাৰে।

(ছ) **মূল্য বা লাভৰ ৰূপত বৃদ্ধি দাবী কৰাৰ অধিকাৰ ঃ** জিম্মা দিয়া সামগ্রীৰ যিকোনো বৃদ্ধি বা লাভ পোৱাৰ অধিকাৰ জিম্মা দিওঁতাৰ আছে।

জিম্মা লওঁতাৰ অধিকাৰ

জিম্মা দিওঁতাৰ কর্তব্যবিলাক হৈছে জিম্মা লওঁতাৰ অধিকাৰ, যিবিলাক আমি ইতিমধ্যে, এই অধ্যায়ত আলোচনা কৰিছো।

৪.৬ জামানত ৰক্ষণ (PLEDGE)

জামানত ৰক্ষণ হৈছে এক বিশেষ ধৰণৰ চুক্তি য'ত ঋণৰ পুনৰ পৰিশোধৰ বাবে আমানত (security) হিচাপে সম্পত্তি আদায় দিয়া হয়। ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৭২ অনুসৰি, একোটা ঋণৰ পৰিশোধৰ বাবে বা একোটা প্ৰতিশ্ৰুতিৰ কাৰ্যকৰণৰ বাবে যেতিয়া আমানত হিচাপে সামগ্ৰী জিম্মা দিয়া হয় তেতিয়া ইয়াক কোৱা হয় সম্পত্তি জিম্মা (pledge)। জামানত ৰক্ষণ চুক্তিত জিম্মা দিওঁতাক কোৱা হয় জামানত দিওঁতা (pledge বা pawnor) আৰু জিম্মা লওঁতাক কোৱা জামানত লওঁতা (pledgee বা pawnee)।

উদাহৰণ ঃ 'এ'ই 'বি'ৰ পৰা ১০০০০০ টকা ধাৰে ল'লে আৰু ধাৰ পৰিশোধ নকৰালৈকে তেওঁৰ গাড়ীখন আমানত হিচাপে দিলে ইয়াত 'এ' হৈছে জামানত দিওঁতা (pawnor) আৰু 'বি' হৈছে জামানত লওঁতা (pawner)।

জামানত ৰক্ষণৰ আৱশ্যকীয় উপাদান

জামানত ৰক্ষণৰ আৱশ্যকতাবোৰ তলত দিয়া হ'ল ঃ

(ক) **সামগ্ৰী আদায় দিয়া ঃ** ঋণ ওভতাই দিয়া বা প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰাৰ আমানত হিচাপে ধাৰে লওঁতাই ধাৰে দিওঁতাক সামগ্ৰী আদায় দিব লাগে।

(খ) **সামগ্ৰীৰ অধিগ্ৰহণ ঃ** সামগ্ৰীৰ অধিগ্ৰহণ এজন লোকৰ পৰা আন এজন লোকলৈ হস্তান্তৰ হয় যদিও মালিকীস্বত্ব মূল গৰাকীৰ ওচৰতে থাকে।

(গ) **কেৱল অস্থাৱৰ সামগ্ৰী ঃ** কেৱল অস্থাৱৰ সামগ্ৰীহে জামানত ৰক্ষণ দিব পাৰি। স্থাৱৰ সম্পত্তি যেনে অংশ, কৰ্জা খত, সামগ্ৰীৰ স্বত্বৰ নথি ইত্যাদি সম্পত্তি জিম্মা দিব নোৱাৰি।

(ঘ) **সামগ্ৰী ওভতাই লোৱা ঃ** জামানত লওঁতাক জিম্মা দিয়া সামগ্ৰী তেওঁৰ সম্পূৰ্ণ প্ৰাপ্য দিয়াৰ পিছত ওভতাই ল'ব।

জামানত দিওঁতাৰ কৰ্তব্য

জামানত ৰক্ষণ চুক্তিৰ অধীনত একোজন সম্পত্তি জামানত দিওঁতাৰ কৰ্তব্য হৈছে ঃ

(ক) **ঋণ পৰিশোধৰ কৰ্তব্য ঃ** চুক্তিত নিৰ্দিষ্ট কৰা সময় আৰু ধৰণ অনুসৰি জামানত লওঁতাৰ পৰা লোৱা ঋণ ওভতাই দিয়াটো জামানত দিওঁতাৰ কৰ্তব্য।

(খ) **ক্ষতিপূৰণ দিয়াৰ কৰ্তব্য ঃ** জামানত দিওঁতাৰ দ্বাৰা উদ্ভৱ হোৱা যিকোনো অসাধাৰণ ব্যয়ৰ বাবে জামানত লওঁতাক ক্ষতিপূৰণ দিয়াটো দিওঁতাৰ কৰ্তব্য।

(গ) **জামানত সম্পত্তিৰ ক্ষেত্ৰত কৰ্তব্য ঃ** যিবিলাক সামগ্ৰীৰ ওপৰত নিজৰ সঠিক অধিকাৰ থাকে কেৱল তেনে সামগ্ৰীহে জামানত দিয়াটো জামানত দিওঁতাৰ কৰ্তব্য। যদি জামানত দিওঁতাৰ অধিকাৰ ত্ৰুটিপূৰ্ণ হয় আৰু এই বিষয়ে যদি জামানত লওঁতাই নাজানে, তেতিয়া জামানত লওঁতাৰ সঠিক অধিকাৰ থাকে।

জামান দিওঁতাৰ অধিকাৰ

জামানত চুক্তিৰ অধীনত একোজন জামানত দিওঁতাৰ অধিকাৰসমূহ হৈছে—

(ক) **সামগ্ৰী ওভতাই পোৱাৰ অধিকাৰ ঃ** সুতসহ বা প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰাৰ সময়ত বা পিছত লাভ কৰা মাছুলসহ ঋণ পৰিশোধ কৰাৰ পিছত জামানত দিওঁতাই তেওঁৰ সম্পত্তি ওভতাই পাব।

(খ) **ঋণ খালাচৰ অধিকাৰ ঃ** অনুচ্ছেদ ১৭৭ৰ ব্যৱস্থাৱলী অনুসৰি, যদি নিৰ্ধাৰিত সময়ৰ ভিতৰত জামানত দিওঁতাই ঋণ পৰিশোধ কৰিব নোৱাৰে বা প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিব নোৱাৰে, তেতিয়াও তেওঁ সামগ্ৰীৰ প্ৰকৃত বিক্ৰয় সম্পন্ন হোৱাৰ আগতে পৰৱৰ্তী যিকোনো সময়ত জামানত সামগ্ৰী খালাচ পাব পাৰে। অৱশ্যে জামানত দিওঁতাই নিজৰ ব্যৰ্থতাৰ বাবে সৃষ্টি হোৱা যিকোনো ব্যয় পৰিশোধ কৰিব লাগে।

(গ) **সামগ্ৰী সংৰক্ষণ আৰু চোৱা চিতাৰ অধিকাৰ ঃ** জামানত লওঁতাই তেওঁৰ সামগ্ৰী সুৰক্ষিত অৱস্থাত ৰাখিছে নে নাই সেয়া লক্ষ্য কৰাৰ অধিকাৰ জামানত দিওঁতাৰ আছে।

(ঘ) **পৃথকীকৰণৰ ব্যয় ঃ** যদি জামানত দিওঁতাৰ সন্মতি নোহোৱাকৈ জামানত লওঁতাই জিম্মা সামগ্ৰী অন্য সামগ্ৰীৰ সৈতে মিহলি কৰে যি সামগ্ৰী জামানত দিওঁতাৰ নহয়, তেতিয়া জামানত লওঁতাই সৃষ্টি কৰা সামগ্ৰীৰ যিকোনো ক্ষতিৰ ব্যয় বা পৃথকীকৰণৰ ব্যয় জামানত দিওঁতাই দাবী কৰাৰ অধিকাৰ আছে।

জামানত লওঁতাৰ অধিকাৰ

জামানত চুক্তিৰ আইনৰ অধীনস্থ জামানত লওঁতাৰ অধিকাৰ তলত দিয়া হ'ল ঃ

(ক) **ৰাখি থোৱাৰ অধিকাৰ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৭৩ অনুসৰি জামানত লওঁতাই তেওঁৰ ওচৰত জামানত থকা সামগ্ৰী ৰাখি থ'ব পাৰে ঃ

(১) যদি জামানত দিওঁতাই ঋণ পৰিশোধ নকৰে বা প্ৰতিশ্ৰুতি কাৰ্যকৰী নকৰে।

(২) ঋণৰ ওপৰত জামানত দিওঁতাই দিবলগীয়া সুত পৰিশোধ নকৰালৈকেও জামানত লওঁতাই সামগ্ৰী ৰাখি থ'ব পাৰে।

(খ) **পৰৱৰ্তী অগ্ৰগতিৰ বাবে ৰাখি থওঁতাৰ অধিকাৰ ঃ** ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ১৭৪ অনুসৰি, জামানত তাৰিখৰ পিছত যদি একোজন জামানত লওঁতাই জামানত দিওঁতাক ধন ধাৰে দিয়ে তেন্তে সামগ্ৰী ৰাখি থোৱাৰ জামানত লওঁতাৰ অধিকাৰ পৰৱৰ্তী সময়ৰ বাবেও থাকে।

(গ) **অসাধাৰণ ব্যয়ৰ অধিকাৰ ঃ** অনুচ্ছেদ ১৭৫ অনুসৰি, জামানত লওঁতাই তেওঁৰ ওচৰত জামানত থকা সামগ্ৰী সুৰক্ষিত অৱস্থাত ৰাখিবলৈ জামানত দিওঁতাই সৃষ্টি ৰূপ অসাধাৰণ ব্যয় বহন কৰিবলৈ জামানত দিওঁতাক ক'ব পাৰে। এনে ব্যয় পৰিশোধ নকৰিলে সামগ্ৰী ৰাখি থোৱাৰ অধিকাৰ যদিও তেওঁৰ নাই তথা এনে ব্যয় পুনৰুদ্ধাৰৰ বাবে তেওঁ জামানত দিওঁতাৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে।

(ঘ) **ব্যৰ্থ জামানত দিওঁতাৰ ক্ষেত্ৰত থকা অধিকাৰ ঃ** যদি জামানত দিওঁতা ঋণ পৰিশোধ কৰাত বা প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰাত ব্যৰ্থ হয় তেতিয়া জামানত লওঁতাই নিম্নলিখিত

অধিকাৰ লাভ কৰে ঃ

(১) ঋণৰ বাবে তেওঁ জামানত দিওঁতাৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে,

(২) এক আনুমানিক আমানত হিচাপে তেওঁ জামানত সামগ্ৰী ৰাখি থ'ব পাৰে,

(৩) ধনৰ পৰিমাণ নিশ্চিত কৰণৰ বাবে তেওঁ গোচৰ তৰিব পাৰে,

(৪) জামানত দিওঁতাক এক সঠিক জাননী দিয়াৰ পিছত জামানত সামগ্ৰী তেওঁ বিক্ৰী কৰিব পাৰে।

(ঙ) **জামানত দিওঁতাৰ স্বত্ব ত্ৰুটিপূৰ্ণ হ'লে প্ৰকৃত স্বত্বাধিকাৰীৰ বিৰুদ্ধে অধিকাৰ ঃ** অনুচ্ছেদ ১৭৮ এ অনুসৰি, সম্পত্তি জামানত দিওঁতাই যদি এক গ্ৰহণৰ অযোগ্য চুক্তিৰ অধীনত জামানত লওঁতাক সম্পত্তি জামানত দিয়ে (প্ৰবঞ্চনা, ভুল উপস্থাপন, অবৈধ প্ৰভাৱ আৰু বলপূৰ্বকভাৱে) আৰু জামানত দিয়াৰ সময়ত যদি চুক্তি খণ্ডন কৰা নহয় তেতিয়া জামানত লওঁতাই সামগ্ৰীৰ ওপৰত এক যথাৰ্থ অধিকাৰ অৰ্জন কৰে। জামানত লওঁতাই কেৱল তেতিয়াহে সামগ্ৰীৰ স্বত্ব লাভ কৰে যেতিয়া তেওঁ বিশ্বস্বতাৰে কাম কৰে আৰু জামানত দিওঁতাৰ স্বত্বত থকা ত্ৰুটি সম্পৰ্কে নাজানে।'

জামানত লওঁতাৰ কৰ্তব্য

জামানত চুক্তিৰ অধীনস্থ জামানত লওঁতাৰ কৰ্তব্যবিলাক তলত দিয়া হ'ল ঃ

(ক) তেওঁৰ ওপৰত জিম্মাত থকা সামগ্ৰীৰ সঠিক যতন লোৱাটো জামানত লওঁতাৰ কৰ্তব্য।

(খ) তেওঁৰ ওচৰত জামানত থকা সামগ্ৰীৰ অৰ্কৃত্বশীল ব্যৱহাৰ নকৰাটো জামানত লওঁতাৰ কৰ্তব্য।

(গ) তেওঁৰ ওচৰত জামানত থকা সামগ্ৰীৰ ৰূপ জামানত লওঁতাই সলনি কৰিব নোৱাৰে। যদি তেওঁ তেনে কৰে, জামানত দিওঁতাই ক্ষতিপূৰণ দাবী কৰিব পাৰে।

(ঘ) জামানত দিওঁতাই জামানত ৰখা সামগ্ৰী জামানত লওঁতাই নিজৰ সামগ্ৰীৰে মিহলি কৰিব নোৱাৰে।

(ঙ) তেওঁৰ ওচৰত জামানত থকা সামগ্ৰীৰ পৰা জামানত লওঁতাই যদি কিবা লাভ অৰ্জন কৰে, যি সামগ্ৰী তেওঁ চুক্তিৰ চৰ্ত অনুসৰি ব্যৱহাৰ কৰিব নোৱাৰে। তেতিয়া এনে লাভ তেওঁ জামানত দিওঁতাক ওভতাই দিব লাগে।



অগ্ৰগতি নিৰীক্ষণ(CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৫ঃ জামানত দিওঁতা কোন?

.....

.....

প্ৰশ্ন নং ৬ঃ জামানত ৰক্ষণৰ সংজ্ঞা দিয়ক।

.....

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ক্ষতিপূৰণৰ চুক্তি হৈছে ধন বা সামগ্ৰীৰ ক্ষতিৰ বিৰুদ্ধে আমানতৰ ব্যৱস্থা কৰা।
- নিশ্চয়তাৰ চুক্তি হৈছে জাতীয় ব্যক্তিৰ ব্যৰ্থতাত তেওঁৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰা বা দায়বদ্ধতা পালন কৰা।
- এই নিশ্চয়তাৰ চুক্তি বিশেষ নিশ্চয়তা বা ধাৰাবাহিক নিশ্চয়তা হ'ব পাৰে।
- জামানত হৈছে এজন লোকে আন এজনক সামগ্ৰী আদায় দিয়া, তেওঁলোকে কৰিবলৈ ওলোৱা এটা চুক্তিৰ ওপৰত কিছুমান উদ্দেশ্য আগত ৰাখি এই সামগ্ৰী আদায় দিয়া হয়, যেতিয়া উদ্দেশ্য সিদ্ধ হয় তেতিয়া সেয়া ওভতাই দিয়া হয় বা সামগ্ৰী আদায় দিওঁতাৰ নিৰ্দেশনা মতে সেইবোৰ নিষ্পত্তি কৰা হয়।
- জামানত ৰক্ষণ হৈছে এক বিশেষ ধৰণৰ চুক্তি য'ত ঋণৰ পুনৰ পৰিশোধৰ বাবে আমানত হিচাপে সম্পত্তি ৰখা হয়।



৪.৮ অধিক জানিবলৈ (FURTHER READINGS)

১) The Indian Contract Act, 1872; (Bare Act).
২) Law of Contract Part I, R K Bangia.
৩) Law of Contract Part II, R K Bangia.



৪.৯ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ ক্ষতিপূৰণৰ চুক্তি হৈছে ধন বা সামগ্ৰীৰ ক্ষতিৰ বিৰুদ্ধে আমানতৰ ব্যৱস্থা কৰা।

২ নং প্ৰশ্নৰ উত্তৰঃ ক্ষতিপূৰণৰ চুক্তিৰ অধীনত যিজন লোকে ক্ষতিপূৰণ দিয়ে বা ক্ষতি পৰিশোধ কৰে তেওঁক ক্ষতিপূৰণ দিওঁতা বুলি কোৱা হয়।

৩ নং প্ৰশ্নৰ উত্তৰঃ নিশ্চয়তা হৈছে তৃতীয় ব্যক্তিৰ ব্যৰ্থতাত তেওঁৰ প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰা বা দায়বদ্ধতা পালন কৰা।

৪ নং প্রশ্নৰ উত্তৰঃ একোটা নিশ্চয়তাৰ চুক্তিত যিজন লোকে নিশ্চয়তা দিয়ে তেওঁক জামিন বোলা হয়।

৫ নং প্রশ্নৰ উত্তৰঃ জিম্মাৰ চুক্তিত সামগ্রী আদায় দিয়া লোকজনক জিম্মা দিওঁতা বোলা হয়।

৬ নং প্রশ্নৰ উত্তৰঃ জামানত ৰক্ষণ হৈছে এটা চুক্তি যদি একোটা ঋণৰ পুনৰ পৰিশোধৰ বাবে আমানত হিচাপে সম্পত্তি আদায় দিয়া হয়।



৪.১০ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ 'নিশ্চয়তাৰ চুক্তি'ৰ সংজ্ঞা দিয়ক। বিভিন্ন প্রকাৰৰ নিশ্চয়তাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ জামানত ৰক্ষণৰ সংজ্ঞা দিয়ক। সম্পত্তি জিম্মা দিওঁতা আৰু লওঁতাৰ অধিকাৰ আৰু কর্তব্যৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ বিভিন্ন ধৰণৰ জিম্মাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***